# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 08-04-2024
**Time :** 19:10 hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশৰ প্ৰতিটো জনজাতীয় পৰিয়ালৰ জীৱন উন্নত কৰাটোৱে হৈছে মোদী গেৰাণ্টী।

২। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসমত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অংশ হিচাপে কাইলৈ ডিব্ৰুগড় আৰু শোণিতপুৰত আয়োজিত জনসমাবেশত অংশ ল'ব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চৈত্ৰ শুক্লাদি, ওগাড়ি, গুৰিপাড়ৱা, চেতি চান্দ, নৱৰেহ, আৰু চাজিবু চেইৰাউবা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে।

৪। পৰিৱৰ্তন চিন্তন শীৰ্ষক ত্ৰি-সেৱা সন্মিলন আজি নতুন দিল্লীত অনুষ্ঠিত হয়। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছুসময়ৰ পাছতে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া খেলত চেন্নাই চুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ০০০

০০০০০০০

বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশৰ প্ৰতিটো জনজাতীয় পৰিয়ালৰ জীৱন উন্নত কৰাটোৱে হৈছে মোদী গেৰাণ্টী। চত্তিশগড়ৰ বাস্তাৰ খণ্ডৰ আমাবল গাওঁত অনুষ্ঠিত এখন জনসভাত ভাষণ দি আজি শ্ৰীমোদীয়ে কয় যে, জনসাধাৰণৰ সপোনেই হৈছে মোদীৰ গেৰাণ্টী। তেওঁ কয় যে, তেওঁৰ লক্ষ্য হৈছে দেশৰ বিকাশ সাধন তথা প্ৰতিটো পৰিয়ালক সমৃদ্ধিশালী কৰি তোলা। শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত কেন্দ্ৰত থকা বিজেপি চৰকাৰে দৰিদ্ৰ লোকৰ বাবে বহুবোৰ কল্যাণমূলক আঁচনি হাতত লৈছে। কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰসকলক তেওঁলোকৰ অধিকাৰ প্ৰদান কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে চত্তিশগড়ৰ বাস্তাৰ খণ্ড হৈছে ইয়াৰ উৎকৃষ্ট উদাহৰণ। আনহাতে, বিগত ১০ বছৰত দেশত ২৫ কোটি লোকে দৰিদ্ৰতাৰ পৰা মুক্তি পাইছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে বিনামুলীয়া ৰেচন আৰু আয়ুষ্মানৰ দৰে আঁচনিসমূহে জনসাধাৰণৰ ব্যয় হ্ৰাস কৰাৰ লগতে তেওঁলোকৰ জমা ধন বৃদ্ধি কৰাত সহায় কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে কংগ্ৰেছ চৰকাৰৰ সময়ত দুৰ্নীতি দেশৰ পৰিচয় হিচাপে পৰিণত

হৈছিল। কংগ্ৰেছ চৰকাৰে দৰিদ্ৰ লোকসকলৰ বিষয়ে কেতিয়াও চিন্তা কৰা নাছিল বুলিও শ্ৰীমোদীয়ে লগতে মন্তব্য কৰে।

০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসমত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অংশ হিচাপে কাইলৈ ডিব্ৰুগড় আৰু শোণিতপুৰত আয়োজিত জনসমাবেশত অংশ ল'ব। মন্ত্ৰী শ্বাহৰ লগতে সমাবেশত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইপিনে, আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে আজি ডিব্ৰুগড়ৰ দুলীয়াজানত আয়োজিত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। নেত্ৰীগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌন্দিন্যৰ হৈ প্ৰচাৰ চলাব। কাইলৈ তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত-বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব।

কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, ৰাষ্ট্ৰীয় মুখ্য সম্পাদক জীতেন্দ্ৰ সিং আৰু যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা সাংসদ গৌৰৱ গগৈয়ে কাইলৈ বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব।

আনহাতে, বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিত যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ চৰকাৰে কন্যা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। ড° শৰ্মাই আজি শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত আয়োজিত বিজেপিৰ এখন সাংগঠনিক সভাতো অংশগ্ৰহণ কৰি দলৰ নিৰ্বাচনী ৰণকৌশল সন্দৰ্ভত আলোচনা কৰে। ০০০০

০০০০

কংগ্ৰেছৰ তাৰকা প্ৰচাৰক ৰাহুল গান্ধীয়ে আজি মধ্য প্ৰদেশৰ চিউনী জিলাত ধানৌৰা অঞ্চলত এখন ৰাজহুৱা সভা সম্বোধন কৰে। শ্ৰীগান্ধীয়ে কয় যে, জনজাতীয় লোকসকল হৈছে এই দেশ তথা এই মাটিৰ প্ৰথম স্বত্তাধিকাৰী আৰু সেইবাবেই কংগ্ৰেছ দলে তেওঁলোকক আদিৱাসী নামেৰে অভিহিত কৰিছে। আনহাতে, বিজেপি তথা প্ৰধানমন্ত্ৰী মোদী আৰু অমিত শ্বাহে তেওঁলোকক বনবাসী বুলি অভিহিত কৰিছে বুলি শ্ৰীগান্ধীয়ে মন্তব্য কৰে। তেওঁ কয় যে আদিবাসী আৰু বনবাসী এই দুটা শব্দৰ অন্তৰালত দুটা পৃথক মতাদৰ্শ আছে। প্ৰথম স্বত্তাধিকাৰী হিচাপে আদিবাসীসকলৰ দেশৰ মাটি, পানী, বন আৰু সম্পদৰ ওপৰত পূৰ্ণ অধিকাৰ আছে বুলি শ্ৰীগান্ধীয়ে উল্লেখ কৰে। তেওঁ লগতে আজি ৰাজ্যখনৰ চাহদল অঞ্চলতো এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিনা ৰাজ্যখনত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত এই পৰ্যায়ত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। আজি ডিফু সমষ্টিত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ত দৰং- ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে নিৰ্বাচন হ'ব। এই পৰ্যায়ত বিজেপিৰ হৈ দৰং-ওদালগুৰিত সাংসদ দিলীপ শইকীয়া, কৰিমগঞ্জত কৃপানাথ মাল্লা, শিলচৰত পৰিমল শুক্লবৈদ্য, নগাঁৱত সুৰেশ বৰা আৰু ডিফুত অমৰ সিং টিছ'ৱে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ বিপৰীতে নগাঁৱত কংগ্ৰেছ

দলৰ প্ৰদ্যুৎ বৰদলৈ, শিলচৰত দলটোৰ প্ৰাৰ্থী সূৰ্যকান্ত সৰকাৰ, দৰং-ওদালগুৰিত মাধৱ ৰাজবংশী, কৰিমগঞ্জত হাফিজ ৰচিদ আহমেদ চৌধুৰী আৰু ডিফুত জয়ৰাম ইংলেঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত শিলচৰত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী, প্ৰাক্তন সাংসদ ৰাধেশ্যাম বিশ্বাস, ওদালগুৰিত বিপি এফৰ দুৰ্গাদাস বড়ো আৰু কৰিমগঞ্জত এ আই ইউ ডি এফৰ নেতা চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

oooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চৈত্ৰ শুক্লাদি, ওগাড়ি, গুড়িপাড়ৱা, চেতি চান্দ, নৱৰেহ, আৰু চাজিবু চেইৰাউবা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত কয় যে, বসন্ত ঋতু তথা ভাৰতীয় নতুন বৰ্ষক আদৰাৰ বাবে এই উৎসৱসমূহ পালন কৰা হয়। তেওঁ কয় যে, দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা এই উৎসৱসমূহে শান্তি, সম্প্ৰীতি আৰু সহনশীলতাৰ বাৰ্তা বিয়পায়। তেওঁ লগতে উল্লেখ কৰে যে, এই উৎসৱসমূহ হৈছে দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু ঐক্যৰ চিহ্নস্বৰূপ আৰু এই উৎসৱসমূহ পালনৰ জৰিয়তে জনসাধাৰণে প্ৰকৃতিৰ প্ৰতি তেওঁলোকৰ কৃতজ্ঞতা প্ৰকাশ কৰে।

oooo

ভাৰত-পেৰুৰ মাজৰ সপ্তমলানি বাণিজ্য চুক্তি আলোচনা আজি নতুন দিল্লীত আৰম্ভ হৈছে। দুয়োখন দেশৰ মাজৰ বাণিজ্য আৰু বিনিয়োগ খণ্ডৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰি তোলাৰ লক্ষ্য আগত ৰাখি এই বৈঠক আয়োজন কৰা হৈছে। বাণিজ্য আৰু উদ্যোগ বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে যে, এই পদক্ষেপৰ জৰিয়তে ভাৰত আৰু পেৰুৰ মাজৰ অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত কৰাৰ লগতে দ্বিপাক্ষিক বান্ধোন শক্তিশালী কৰাৰ দিশত দেশৰ প্ৰতিশ্ৰুতিবিদ্ধতা প্ৰতিফলিত হৈছে।

oooo

জম্মু-কাশ্মীৰৰ ৰামবান জিলাৰ বিশাল সেউজীয়া ঘাহনিৰ মাজত মনোমোহা চানাচাৰ বাগিচাত প্ৰায় ২ লাখ ৫ হাজাৰ টিউলিপ ফুলে পৰ্যটকক আকৰ্ষণ কৰিছে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, চানাচাৰৰ টিউলিপ বাগিচাখন পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। এইবছৰ বাগিছাখনত ২৫ টা প্ৰজাতিৰ টিউলিপ ৰোপণ কৰা হৈছে। একে স্থানতে পৰ্যটকক আকৰ্ষণ কৰিবৰ বাবে সকলো সময়তে ফুলি থকাকৈ এখন গোলাপৰ বাগিচাৰ প্ৰস্তাৱো আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে বিগত বছৰত চৰকাৰে জম্মুত এখন সৰ্ববৃহৎ টিউলিপ বাগিচা বিকশাই তোলাৰ বাবে এটা প্ৰকল্পত অনুমোদন জনাইছিল।

oooo

নিউজিলেণ্ডৰ মিত্ৰজোটৰ চৰকাৰে অনুপ্ৰৱেশ ব্যৱস্থাটোৰ পুংখানুপুংখ নিৰীক্ষণৰ পোষকতা কৰাৰ পৰিপ্ৰেক্ষিতত দেশখনে কিছুসংখ্যক প্ৰব্ৰজনকাৰীৰ বাবে ভিজাৰ নিয়ম কঠোৰ কৰি তুলিব। দেশখনৰ অনুপ্ৰৱেশ দপ্তৰৰ মন্ত্ৰী এৰিকা ষ্টেনফোৰ্ডে ঘোষণা কৰিছে যে, মহামাৰীৰ পিছত কৰ্মশক্তিৰ অভাৱ পূৰণ কৰাত সহায়ক হোৱাকৈ ২০২২ চনৰ মাজভাগত প্ৰৱৰ্তন কৰা মূল অস্থায়ী কৰ্ম ভিজা - স্বীকৃতিপ্ৰাপ্ত নিয়োগকৰ্তা শ্ৰমিক ভিজাৰ কিছু পৰিৱৰ্তন ঘটোৱা হব।

oooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ একাংশ উপদ্বিপীয় অঞ্চলত অহা ২৪ ঘণ্টালৈকে গ্ৰীষ্মপ্ৰৱাহ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। এই সময়ছোৱাত অন্ধ্ৰপ্ৰদেশৰ উপকুলীয় অঞ্চল, য়ানাম, ৰেয়ালচিমা,

তেলেংগানা আৰু উত্তৰ কৰ্ণাটকৰ কিছু অংশত গ্ৰীষ্ম প্ৰবাহৰ প্ৰভাৱ অনুভুত হ'ব। আনহাতে, বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি অসম, পশ্চিমবংগ, চিকিম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা ৭ দিনৰ ভিতৰত পাতলীয়াৰ পৰা মধ্যম বৃষ্টিপাতৰ সম্ভাৱনা আছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে, কোলকাতা নাইট ৰাইডাৰ্ছে এতিয়ালৈকে খেলা নিজৰ তিনিওখন খেলতে জয়লাভ কৰি ৬ পইণ্টেৰে সৈতে পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে। আনহাতে, যোৱাবাৰৰ ছেম্পিয়ন চেন্নাই চুপাৰ কিংছ ৪ পইণ্টেৰে তালিকাৰ চতুৰ্থ স্থানত আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ